# <u>বাতৰিৰ স্পষ্টীকৰন</u>

২১ ডিচেম্বৰ'২০১৫ ইং তাৰিখৰ **'অসমীয়া প্ৰতিদিন'** কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত 'ধূবুৰীৰ উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা অন্তৰ্ধান হল এন আৰ চিৰ ৩৩ টা ফাইল' শীৰ্ষক বাতৰিটো ধূবুৰী জিলা প্ৰকাশনৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত প্ৰকাশনৰ তৰফৰ পৰা পুংখানুপুংখ ভাবে চালি জাৰি চাই দৃঢ়তাৰে জনাব বিচাৰো যে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত থকা এন আৰ চি সম্পৰ্কীয় সকলো ফাইল আৰু নথি যথাযথ ভাবে আছে। ৩৩ টা নালাগে, এটা ফাইলো ক'তো হেৰুৱা বা অন্তৰ্ধান হোৱা নাই। সেয়ে বাতৰিটো সম্পূৰ্ণ ভিত্তিহীন আৰু মনে সজা ধৰনৰ । এনে ধৰনৰ অসত্য বাতৰিক লৈ জনসাধাৰণ যাতে অযথা উদ্বেগ, আশংকাত ভুগিব লগা নহয় সেয়ে বিষয়টো ৰাইজৰ জ্ঞাতাৰ্থে দাঙি ধৰা হৈছে। জিলা প্ৰকাশনৰ সুদৃঢ় ব্যৱস্হাৰ মাজত কোনো ধৰনৰ ফাইল পত্ৰৰ হৰলুকি হোৱাৰ আশংকা সম্পূৰ্ণ অমূলক।

অতিৰিক্ত উপায়ুক্ত
ধূবুৰী